02-02-2026 প্ৰাতঃমুৰুলী ওঁম্ শান্তি! "বাপদাদা" মধুবন।

**“শিৱ ভগৱানুবাচ - মৰমৰ সন্তানসকল, তোমালোকে মোক স্মৰণ কৰা আৰু মৰম কৰা কিয়নো মইহে তোমালোকক সৰ্বদা সুখী কৰি তুলিবলৈ আহিছোঁ”**

প্ৰশ্ন: যিসকল সন্তানৰ দ্বাৰা গাফিলতি হৈ থাকে তেওঁলোকৰ মুখৰ পৰা কোনটো কথা স্বতঃ ওলাই যায়?

উত্তৰ: ভাগ্যত যি আছে সেয়া পাই যাম। স্বৰ্গলৈতো যামেই। বাবাই কয় – এইষাৰ কথা পুৰুষাৰ্থী সন্তানৰ নহয়। উচ্চ পদবী পাবলৈহে পুৰুষাৰ্থ কৰিব লাগে। যিহেতু পিতা উচ্চ পদবী দিবলৈ আহিছে সেয়েহে গাফিলতি নকৰিবা।

গীত: বচপন কে দিন ভুলা ন দেনা... (শৈশৱৰ দিনবোৰ পাহৰি নাযাবা...)

ওঁম্ শান্তি। অতি মৰমৰ সন্তানসকলে গীতৰ কলিটিৰ অৰ্থ বুজিলা। এতিয়া তোমালোক জীৱন্তে বেহদৰ পিতাৰ হৈছা। গোটেই কল্পতো হদৰ পিতাৰ হ'লা। এতিয়া কেৱল তোমালোক ব্ৰাহ্মণ সন্তানসকল বেহদৰ পিতাৰ হৈছা। তোমালোকে জানা বেহদৰ পিতাৰ পৰা আমি বেহদৰ উত্তৰাধিকাৰ লৈ আছোঁ। যদি পিতাক এৰা তেন্তে বেহদৰ উত্তৰাধিকাৰ পাব নোৱাৰিবা। যদিও তোমালোকে বুজোৱা কিন্তু অলপতেতো কেনো ৰাজী নহয়। মনুষ্যই ধন বিচাৰে। ধন অবিহনে সুখী হ'ব নোৱাৰে। ধনো লাগে, শান্তিও লাগে, নিৰোগী শৰীৰো লাগে। তোমালোক সন্তানসকলেহে জানা – জগতত আজি কি আছে, কাইলৈ কি হ'ব। বিনাশ সমাগত। আন কাৰো বুদ্ধিত এই কথাবোৰ নাই। যদিও বুজেও যে বিনাশ সমাগত, তেতিয়াও কি কৰিব লাগে, এয়া নুবুজে। তোমোলোক সন্তানসকলে বুজি পোৱা যে যিকোনো সময়ত যুদ্ধ লাগিব পাৰে, অকণমান ফিৰিঙতিৰ পৰা খাণ্ডৱদাহ হ'বলৈ দেৰি নালাগিব। সন্তানসকলে জানে এই পুৰণি সৃষ্টি নাশ হোৱাৰ পথত, সেইবাবে এতিয়া সোনকালে পিতাৰ পৰা উত্তৰাধিকাৰ ল'ব লাগে। পিতাক সদায় স্মৰণ কৰি থাকিলে তেতিয়া বহুত হৰ্ষিত হৈ থাকিবা। দেহ-অভিমানত আহিলে পিতাক পাহৰি দুখ পোৱা। যিমানে পিতাক স্মৰণ কৰিবা সিমানে বেহদৰ পিতাৰ পৰা সুখ পাবা। ইয়ালৈ তোমালোক আহিছাই এনেকুৱা লক্ষ্মী-নাৰায়ণ হ'বলৈ। ৰজা-ৰাণী আৰু চাকৰ-বাকৰ হোৱা – এই ক্ষেত্ৰত বহুত পাৰ্থক্য আছে নহয়। এতিয়াৰ পুৰুষাৰ্থ আকৌ কল্প-কল্পান্তৰৰ কাৰণে স্থায়ী হৈ যাব। অন্তিমত সকলোৰে সাক্ষাৎকাৰ হ'ব – মই কিমান পুৰুষাৰ্থ কৰিছোঁ? এতিয়াও পিতাই কয় – নিজৰ অৱস্থাক চাই থাকা। মিঠাতকৈও মিঠা পিতা যাৰ পৰা স্বৰ্গৰ উত্তৰাধিকাৰ পোৱা যায়, তেওঁক মই কিমান স্মৰণ কৰোঁ। তোমালোকৰ সকলো স্মৃতিত থকাৰ ওপৰতে নিৰ্ভৰ কৰে। যিমানে স্মৰণ কৰিবা সিমানে আনন্দিত হৈয়ো থাকিবা। বুজিবা যে এতিয়া সমীপত আহি উপস্থিত হৈছোঁ। কিছুমান ভাগৰিও পৰে, নাজানো লক্ষ্যস্থান কিমান দূৰৈত। গৈ উপস্থিত হ'লে তেতিয়া পৰিশ্ৰমো সফল হ'ব। এতিয়া তোমালোক যি লক্ষ্যস্থানলৈ গৈ আছা, জগতে নাজানে। জগতে এইটো গমেই নাপায় যে ভগৱান কাক কোৱা হয়। ভগৱান বুলি কয়ো। আকৌ কৈ দিয়ে –পাথৰ-শিলগুটি সকলোতে আছে।

এতিয়া তোমালোক সন্তানসকলে জানা – আমি পিতাৰ হৈ গৈছোঁ। এতিয়া পিতাৰ মততহে চলিব লাগে। যদিও বিলাতত আছা, তাত থাকিও কেৱল পিতাক স্মৰণ কৰিব লাগে। তোমালোকে শ্ৰীমত পোৱা। স্মৰণ নকৰাকৈ আত্মা তমোপ্ৰধানৰ পৰা সতোপ্ৰধান হ'ব নোৱাৰে। তোমালোকে কোৱা – বাবা আমি আপোনাৰ পৰা সম্পূৰ্ণ উত্তৰাধিকাৰ ল'ম। যেনেকৈ আমাৰ মম্মা-বাবাই উত্তৰাধিকাৰ লয়, আমিও পুৰুষাৰ্থ কৰি তেওঁলোকৰ সিংহাসনত নিশ্চয় বহিম। মম্মা-বাবা, ৰাজ-ৰাজেশ্বৰী হয় গতিকে আমিও হ'ম। পৰীক্ষাতো সকলোৰে বাবে একেই। তোমালোকক বহুত কম শিকোৱা হয় কেৱল পিতাক স্মৰণ কৰা। ইয়াক কোৱা হয় – সহজ ৰাজযোগৰ বল। তোমালোকে বুজি পোৱা – যোগৰ দ্বাৰা বহুত বল পোৱা যায়। বুজি পায় যে আমি কিবা বিকৰ্ম কৰিলে তেতিয়া বহুত শাস্তি ভোগ কৰিম। পদভ্ৰষ্ট হৈ যাম। স্মৃতিত থকাৰ ক্ষেত্ৰতে মায়াই বিঘিনি আনে, গায়ন কৰা হয় – সৎগুৰুৰ নিন্দকে উচ্চ পদ নাপায়। তেওঁলোকেতো কয় – গুৰুৰ নিন্দক... নিৰাকাৰক কোনেও নাজানে। গায়নো কৰা হয় – ভক্তসকলক ফল দিওঁতা হ'ল ভগৱান। সাধু-সন্ত আদি সকলো ভক্ত। ভক্তসকলেহে গংগা স্নান কৰিবলৈ যায়। ভক্তই জানো ভক্তক ফল দিব। ভক্তই ভক্তক ফল দিলে তেতিয়া আকৌ ভগৱানক স্মৰণ কিয় কৰিব। এয়া হয়েই ভক্তিমাৰ্গ। সকলো ভক্ত। ভক্তক ফল দিওঁতা হ'ল ভগৱান। এনেকুৱা নহয় যে বেছিকৈ ভক্তি কৰাসকলে কম ভক্তি কৰাসকলক ফল দিব। নহয়। ভক্তি মানে ভক্তি। ৰচনাই, ৰচনাক উত্তৰাধিকাৰ কেনেকৈ দিব! উত্তৰাধিকাৰ ৰচয়িতাৰ পৰাহে পোৱা যায়। এই সময়ত সকলো হৈছে ভক্ত। যেতিয়া জ্ঞান পোৱা যায় তেতিয়া আকৌ ভক্তি আপোনাআপুনি আঁতৰি যায়। জ্ঞান জিন্দাবাদ হৈ যায়। জ্ঞান অবিহনে সৎগতি কেনেকৈ হ'ব। সকলোৰে

নিজৰ হিচাপ-নিকাচ নিষ্পত্তি কৰি গুচি যায়। গতিকে এতিয়া তোমালোক সন্তানসকলে জানা বিনাশ সমাগত। তাৰ আগতে পুৰুষাৰ্থ কৰি পিতাৰ পৰা সম্পূৰ্ণ উত্তৰাধিকাৰ ল'ব লাগে।

তোমালোকে জানা – আমি পাৱন জগতলৈ গৈ আছোঁ, যিসকল ব্ৰাহ্মণ হ'ব তেওঁলোকেই নিমিত্ত হ'ব। ব্ৰহ্মা মুখ বংশাৱলী ব্ৰাহ্মণ নোহোৱাকৈ তোমালোকে পিতাৰ পৰা উত্তৰাধিকাৰ ল'ব নোৱাৰা। পিতাই সন্তানসকলক উত্তৰাধিকাৰ দিবলৈয়ে ৰচনা কৰে। শিৱবাবাৰতো আমি হওঁৱেই। সৃষ্টি ৰচনা কৰে সন্তানসকলক উত্তৰাধিকাৰ দিবলৈ। শৰীৰধাৰীকে উত্তৰাধিকাৰ দিব নহয়। আত্মাসকলতো ওপৰত থাকে। তাততো উত্তৰাধিকাৰ বা প্ৰালব্ধৰ কথাই নাই। তোমালোকে এতিয়া পুৰুষাৰ্থ কৰি প্ৰালব্ধ লৈ আছা, যিটো জগতে গম নাপায়। এতিয়া সময় সমীপত আহি আছে। বোমা আদি ৰাখি থ'বলৈ নহয়। প্ৰস্তুতি বহুত চলি আছে। এতিয়া পিতাই আমাক আদেশ দিয়ে যে মোক স্মৰণ কৰা। নহ'লে অন্তিমত বহুত কান্দিব লাগিব। ৰাজ-বিদ্যাৰ পৰীক্ষাত কোনোবা অকৃতকাৰ্য হ'লে তেতিয়া গৈ খঙত ডুবি মৰে। ইয়াত খঙৰতো কথা নাই। অন্তিমত তোমালোকৰ বহুত সাক্ষাৎকাৰ হ'ব। আমি কি কি হ'ম সেয়াও গম পাই যাবা। পিতাৰ কাম হ'ল পুৰুষাৰ্থ কৰোৱা। সন্তানসকলে কয় – বাবা আমি কৰ্ম কৰোঁতে স্মৰণ কৰিবলৈ পাহৰি যাওঁ, কোনোৱে আকৌ কয় – স্মৰণ কৰিবলৈ সময় নাপাওঁ, তেতিয়া বাবাই ক'ব - বাৰু সময় উলিয়াই স্মৃতিত বহা। পিতাক স্মৰণ কৰা। পৰস্পৰ যেতিয়া লগ হোৱা তেতিয়াও এইটোৱে চেষ্টা কৰা, আমি পিতাক স্মৰণ কৰোঁ। একেলগে বহিলে তোমালোকে ভালদৰে স্মৰণ কৰিবা, সহায় পাবা। মূল কথা হ'ল পিতাক স্মৰণ কৰা। কোনোবা বিলাতলৈ যায়, তাতো কেৱল এটা কথা স্মৃতিত ৰাখা। পিতাৰ স্মৃতিৰেহে তোমালোক তমোপ্ৰধানৰ পৰা সতোপ্ৰধান হ'বা। পিতাই কয় - কেৱল এটা কথা স্মৃতিত ৰাখা – পিতাক স্মৰণ কৰা। যোগবলৰ দ্বাৰা সকলো পাপ ভস্ম হৈ যাব। পিতাই কয় – মনমনাভৱ। মোক স্মৰণ কৰা তেতিয়া বিশ্বৰ মালিক হ'বাগৈ। স্মৃতিত থকাটোৱে মূল কথা হৈ যায়। ক'লৈকো যোৱাৰ কথা নাই। ঘৰতে থাকা, কেৱল পিতাক স্মৰণ কৰা। পৱিত্ৰ নহ'লে তেতিয়া স্মৰণ কৰিব নোৱাৰিবা। এনেকুৱা হয় জানো যে সকলোৱে আহি শ্ৰেণীত পঢ়িব। মন্ত্ৰ ল'লা তাৰ পাছত লাগিলে য'লৈকে নোযোৱা। সতোপ্ৰধান হোৱাৰ ৰাস্তাৰ বিষয়তো পিতাই শুনাইছেই। এনেয়েতো সেৱাকেন্দ্ৰলৈ আহিলে নতুন নতুন কথা শুনি থাকিবা। যদি কিবা কাৰণত আহিব নোৱাৰা, বৰষুণ দিলে, কাৰ্ফিউ দিলে, কেনো বাহিৰলৈ ওলাব নোৱাৰা তেতিয়া কি কৰিবা? পিতাই কয় – কোনো কথা নাই। এনেকুৱা নহয় যে শিৱৰ মন্দিৰত ঘটীৰে পানী ঢালিবই লাগিব। য'তেই নাথাকা তোমালোক স্মৃতিত থাকা। চলোঁতে-ফুৰোঁতে স্মৰণ কৰা, আনকো এয়াই কোৱা যে পিতাক স্মৰণ কৰিলে বিকৰ্ম বিনাশ হ'ব আৰু দেৱতা হৈ যাবা। শব্দ দুটাই – পিতা ৰচয়িতাৰ পৰাহে উত্তৰাধিকাৰ ল'ব লাগে। ৰচয়িতা এজনেই। তেওঁ কিমান সহজ ৰাস্তা দেখুৱায়। পিতাক স্মৰণ কৰাৰ মন্ত্ৰ পাই গ'লা। পিতাই কয় – এই শৈশৱ পাহৰি নাযাবা। যদি পিতাক পাহৰা তেন্তে আজি হাঁহি আছা কাইলৈ কান্দিব লাগিব। পিতাৰ পৰা সম্পূৰ্ণ উত্তৰাধিকাৰ লোৱা উচিত। এনেকুৱা বহুত আছে, যিয়ে কয় – স্বৰ্গলৈতো যাম নহয়, যি ভাগ্যত থাকিব... তেওঁলোকক পুৰুষাৰ্থী বুলি নকয়। মনুষ্যই পুৰুষাৰ্থ কৰেই উচ্চ পদবী পোৱাৰ বাবে। এতিয়া যিহেতু পিতাৰ পৰা উচ্চ পদবী পোৱা যায় তেন্তে গাফিলতি কিয় কৰা। স্কুলত যিসকলে নপঢ়ে তেতিয়া শিক্ষিতসকলৰ আগত মুৰ দোৱাব লাগিব। পিতাক পূৰা স্মৰণ নকৰিলে তেতিয়া গৈ প্ৰজাৰ শাৰীত গৈ চাকৰ-বাকৰ হ'বাগৈ, ইয়াতেই আনন্দিত হ'ব লাগে জানো। সন্তানসকল সন্মুখত পুনৰুজ্জীৱিত হৈ যায়। বহুত বন্ধনত থকা মাতা আছে, কথা নাই, ঘৰত বহি পিতাক স্মৰণ কৰি থাকা। কিমান বুজায় – মৃত্যু সমাগত, হঠাতে যুদ্ধ আৰম্ভ হৈ যাব। দেখিবলৈ পোৱা যায় যুদ্ধ যেনিবা আৰম্ভ হওঁ হওঁ। ৰেডিঅ'ৰ দ্বাৰাও সকলো গম পোৱা যায়। তেওঁলোকে কয় – অলপো যদি গোলমাল কৰা তেন্তে আমি এনেকুৱা কৰিম। আগতেই সাৱধান কৰি দিয়ে। বোমাক লৈও বহুত দম্ভালি মাৰে। পিতায়ো কয় – সন্তানসকল এতিয়াও যোগবলত হুচিয়াৰ হোৱা নাই। যুদ্ধ লাগি যাব, ড্ৰামা অনুসৰি এনেকুৱা নহ'বই। সন্তানসকলে সম্পূৰ্ণ উত্তৰাধিকাৰেই লোৱা নাই। এতিয়াও সম্পূৰ্ণ ৰাজধানী স্থাপন হোৱা নাই। অলপ সময়ৰ প্ৰয়োজন। পুৰুষাৰ্থ কৰাই থাকে। ঠিক নাই কোন সময়ত কি হৈ যায়, উৰাজাহাজ, ৰেলগাড়ী বাগৰি পৰে। মৃত্যু কিমান সহজ সন্মুখত থিয় হৈ আছে। ধৰণী কম্পমান হৈ থাকে। ভূমিকম্পই আটাইতকৈ বেছি কাম কৰিব লাগিব। ধৰণী কম্পমান হ'লে তেতিয়াহে গোটেই ঘৰ আদি খহিব। মৃত্যু হোৱাৰ আগতে পিতাৰ পৰা সম্পূৰ্ণ উত্তৰাধিকাৰ ল'ব লাগে সেইবাবে পিতাক স্মৰণ কৰিব লাগে। বাবা আপোনাৰ বাহিৰে আমাৰ দ্বিতীয় কোনো নাই। কেৱল পিতাক স্মৰণ কৰি থাকা। কিমান সহজ ৰীতিৰে কণ কণ শিশুসকলক বুজোৱাৰ দৰে বহি বুজায়। আন একো কষ্ট নিদিওঁ, কেৱল স্মৰণ কৰা আৰু কাম চিতাত বহি তোমালোক যি জ্বলি মৰিছা এতিয়া জ্ঞান চিতাত বহি পৱিত্ৰ হোৱা। তোমালোকক সোধে – আপোনালোকৰ উদ্দেশ্য কি? কোৱা, শিৱবাবা যিজন সকলোৰে পিতা, তেওঁ কয় – মামেকম্ (কেৱল মোক) স্মৰণ কৰা তেতিয়া তোমালোকৰ বিকৰ্ম বিনাশ হ'ব আৰু তোমালোক তমোপ্ৰধানৰ পৰা সতোপ্ৰধান হৈ যাবা। কলিযুগত সকলো তমোপ্ৰধান। সকলোৰে সৎগতিদাতা হৈছে এজন পিতা।

এতিয়া পিতাই কয় – কেৱল মোক স্মৰণ কৰা তেতিয়া মামৰ (বিকাৰৰ লেপ) আতঁৰি যাব। এইটো বাৰ্তাতো দিব পাৰা নহয়। নিজে স্মৰণ কৰিলে তেতিয়া আনকো স্মৰণ কৰাব পাৰিবা। নিজে স্মৰণ কৰিলে তেতিয়া আনকো বুজিৰে ক'ব, নহ'লে অন্তৰৰ পৰা নোলাব। পিতাই বুজায় – য'তেই নাথাকা যিমান পাৰা, কেৱল স্মৰণ কৰা। যাকেই লগ পোৱা তেওঁলোকক এয়াই শিক্ষা দিয়া – মৃত্যু সমাগত। পিতাই কয় – তোমালোক সকলো তমোপ্ৰধান পতিত হৈ গৈছা। এতিয়া মোক স্মৰণ কৰা, পৱিত্ৰ হোৱা। আত্মাহে পতিত হৈছে। সত্যযুগত হয় পাৱন আত্মা। পিতাই কয় – স্মৃতিৰ দ্বাৰাহে আত্মা পাৱন হ'ব, অন্য কোনো উপায় নাই। সকলোকে এইটো বাৰ্তা দি যোৱা তেতিয়াও বহুতৰে কল্যাণ কৰিবা আৰু কোনো কষ্ট নিদিয়ে। সকলো আত্মাকে পাৱন কৰি তোলোঁতা পতিত-পাৱন পিতাই হয়। সকলোতকৈ উত্তমতকৈও উত্তম পুৰুষ কৰি গঢ়ি তোলোঁতাজন হৈছে পিতা। যিসকল পূজ্য আছিল তেওঁলোকেই আকৌ পূজাৰী হৈছে। ৰাৱণৰাজ্যত আমি পূজাৰী হৈছোঁ, ৰামৰাজ্যত পূজ্য আছিলোঁ। এতিয়া ৰাৱণৰাজ্যৰ অন্ত, পিতাক স্মৰণ কৰিলে - আমি পূজাৰীৰ পৰা পুনৰ পূজ্য হওঁ। আনকো ৰাস্তা দেখুৱাব লাগে, বুটীসকলেও সেৱা কৰা উচিত। মিত্ৰ-সম্বন্ধীয়সকলকো বাৰ্তা দিয়া। সৎসংগ, মন্দিৰ আদিও অনেক প্ৰকাৰৰ আছে। তোমালোকৰতো হৈছে এক প্ৰকাৰ। কেৱল পিতাৰ পৰিচয় দিব লাগে। শিৱবাবাই কয় – মামেকম্ স্মৰণ কৰা তেতিয়া তোমালোক স্বৰ্গৰ মালিক হ'বা। নিৰাকাৰ শিৱবাবা সকলোৰে সৎগতিদাতা বাবাই আত্মাসকলক কয় – মোক স্মৰণ কৰা তেতিয়া তোমালোক তমোপ্ৰধানৰ পৰা সতোপ্ৰধান হৈ যাবা। এয়াতো বুজাবলৈ সহজ হয় নহয়। বুটীসকলেও সেৱা কৰিব পাৰে। মূল কথাই হৈছে এইটো। বিয়া সবাহত য'তেই নোযোৱা, এইটো কথা কাণত পেলোৱা। গীতাৰ ভগৱানে কয় – মোক স্মৰণ কৰা। এইষাৰ কথা সকলোৱে পচন্দ কৰিব। বেছিকৈ কোৱাৰ প্ৰয়োজনেই নাই। কেৱল পিতাৰ বাৰ্তা দিব লাগে যে পিতাই কয় – মোক স্মৰণ কৰা। বাৰু, এনেকৈ বুজা ভগৱানে প্ৰেৰিত কৰে। সপোনত সাক্ষাৎকাৰ হয়। আৱাজ শুনিবলৈ পোৱা যায় যে পিতাই কয় – মোক স্মৰণ কৰা তেতিয়া তোমালোক তমোপ্ৰধানৰ পৰা সতোপ্ৰধান হৈ যাবা। তোমালোকে নিজেও কেৱল এইটো চিন্তন কৰি থাকা তেতিয়া নাও পাৰ হৈ যাব। আমি বাস্তৱত বেহদৰ পিতাৰ হৈছোঁ আৰু পিতাৰ পৰা 21 জন্মৰ উত্তৰাধিকাৰ লৈ আছোঁ সেয়েহে আনন্দিত হৈ থকা উচিত। পিতাক পাহৰিলে কষ্ট হয়। পিতাই কিমান সহজকৈ কয় – নিজক আত্মা বুলি বুজি পিতাক স্মৰণ কৰা তেতিয়া আত্মা সতোপ্ৰধান হৈ যাব। সকলোৱে বুজিব – এওঁলোকেতো যথাযথ সঠিক মাৰ্গ পাইছে। এই মাৰ্গৰ বিষয়ে কোনেও কেতিয়াও ক'ব নোৱাৰে। যদি তেওঁলোকে কয় যে শিৱবাবাক স্মৰণ কৰা তেন্তে সাধু আদিৰ ওচৰলৈ কোন যাব। সময় এনেকুৱা হ'ব যেতিয়া তোমালোক ঘৰৰ বাহিৰলৈও ওলাব নোৱাৰিবা। পিতাক স্মৰণ কৰোঁতে কৰোঁতে শৰীৰ ত্যাগ কৰিবা। অন্তকালত যিয়ে শিৱবাবাক স্মৰণ কৰে... তেৱেঁই আকৌ নাৰায়ণৰ দৰে জন্ম ল'ব, লক্ষ্মী-নাৰায়ণৰ ৰাজবংশত আহিব নহয়। বাৰে বাৰে ৰজাৰ পদ পাব। বচ্ কেৱল পিতাক স্মৰণ কৰা আৰু মৰম কৰা। স্মৃতি অবিহনে মৰম কেনেকৈ কৰিবা। সুখ পোৱা যায় তেতিয়া মৰম কৰা যায়। দুখ দিওঁতাজনক মৰম কৰা নহয়। পিতাই কয় – মই তোমালোকক স্বৰ্গৰ মালিক কৰি তোলোঁ সেইবাবে মোক মৰম কৰা। পিতাৰ মতত চলিব লাগে নহয়। ভাল বাৰু!

অতি মৰমৰ, কল্পৰ পাছত পুনৰাই লগ পোৱা সন্তানসকলৰ প্ৰতি মাতা-পিতা বাপদাদাৰ স্নেহপূৰ্ণ স্মৰণ আৰু সুপ্ৰভাত। আত্মিক পিতাৰ আত্মিক সন্তানসকলক নমস্কাৰ।

*ধাৰণাৰ বাবে মুখ্য সাৰ:-**

(1) আনন্দিত হৈ থাকিবলৈ স্মৃতিত থকাৰ পৰিশ্ৰম কৰিব লাগে। স্মৃতিৰ বল আত্মাক সতোপ্ৰধান কৰি তোলোঁতা হয়। মৰমেৰে এজন পিতাক স্মৰণ কৰিব লাগে।

(2) উচ্চ পদবী পোৱাৰ বাবে পঢ়াৰ প্ৰতি সম্পূৰ্ণ ধ্যান দিব লাগে। এনেকুৱা নহয় যে ভাগ্যত যি আছে, গাফিলতি এৰি সম্পূৰ্ণ উত্তৰাধিকাৰৰ অধিকাৰী হ'ব লাগে।

বৰদান: হদৰ দায়িত্বক বেহদলৈ পৰিৱৰ্তন কৰোঁতা স্মৃতি স্বৰূপ নষ্টোমোহা হোৱা

নষ্টোমোহা হ'বলৈ কেৱল নিজৰ স্মৃতি স্বৰূপ পৰিৱৰ্তন কৰা। মোহ তেতিয়াই জাগে যেতিয়া এইটো স্মৃতি থাকে যে মই গৃহস্থী, মোৰ ঘৰ, মোৰ সম্বন্ধ আছে। এতিয়া এই হদৰ দায়িত্বক বেহদৰ দায়িত্বলৈ পৰিৱৰ্তন কৰি দিয়া। বেহদৰ দায়িত্ব পালন কৰিলে হদৰ দায়িত্ববোৰ স্বতঃ পূৰণ হৈ যাব। কিন্তু যদি বেহদৰ দায়িত্ব পাহৰি কেৱল হদৰ দায়িত্ব পালন কৰা তেন্তে সেয়া আৰুহে অধিক বেয়া কৰা কিয়নো সেই কৰ্তব্যত মোহ যুক্ত হৈ যায় সেয়েহে নিজৰ স্মৃতি স্বৰূপ পৰিৱৰ্তন কৰি নষ্টোমোহা হোৱা।

শ্লোগান: এনেকুৱা তীব্ৰতাৰে উৰা যাতে কথাৰূপী ডাৱৰৰ চেকেণ্ডত অতিক্ৰম কৰি যোৱা।

!! ওঁম্ শান্তি !!

অব্যক্ত ইংগিত: একতা আৰু বিশ্বাসৰ বিশেষত্বৰে সফলতা সম্পন্ন হোৱা

যিকোনো কাৰ্যৰ সফলতাৰ দুটা শ্ৰেষ্ঠ বাহু হ’ল: 1) পৰস্পৰ বিশ্বাস আৰু 2) একতা, য’ত সংগঠিত ৰূপত সকলোৱে একমত থাকে আৰু পৰস্পৰৰ ইজনৰ সিজনৰ প্ৰতি বিশ্বাস থাকে, ত’ত সফলতা ডিঙিৰ মালা হৈ পৰে। সংস্কাৰ ভিন ভিন হয় আৰু থাকিবও, কিন্তু যদি কাৰোবাৰ সংস্কাৰ সংঘাত সৃষ্টি কৰোৱা বিধৰ হয়, তেন্তে আনজনে হাত চাপৰি বজাব নালাগে। প্ৰত্যেকেই যদি নিজক পৰিৱৰ্তন কৰি লয়, তেন্তে একতা অটুট থাকিব পাৰে।